# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 18-02-2026
**Time :** 1910 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সুযোগতে বিশ্বনেতাসকলৰ সৈতে এলানি দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

২। নিৰ্বাচন আয়োগে অসমকে ধৰি ১০ খন ৰাজ্যৰ ৩৭ খন ৰাজ্যসভা আসনৰ বাবে নিৰ্বাচনীসূচী ঘোষণা কৰিছে।

৩। ৰঙালী বিহুৰ কথা বিবেচনা কৰি অসমৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে প্ৰকাশ কৰিছে।

৪। চীনৰ হুবেই প্ৰভীন্সৰ এখন ফটকাৰ দোকানত সংঘটিত বিস্ফোৰণৰ ঘটনাত আজি ১২ জন লোকৰ মৃত্যু হয়।

*আৰু*

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ভাৰত নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সুযোগতে বিশ্বনেতাসকলৰ সৈতে এলানি দ্বিপাক্ষিক বৈঠকত মিলিত হয়। শ্ৰীমোদীয়ে আজি পুৱা হায়দৰাবাদ হাউছত স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰ' ছেনছেজক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত-স্পেইন সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে বিভিন্ন বিষয়ত আলোচনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে নেতা দুয়োগৰাকীয়ে বাণিজ্য আৰু অৰ্থনৈতিক, ডিজিটেল, উদ্ভাৱন, স্বাস্থ্য, শিক্ষা আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এটা শক্তিশালী ভাৰত-ইউৰোপীয় সংঘ সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত নিৰন্তৰ সমৰ্থন আগবঢ়াই অহাৰ বাবে স্পেইনৰ শলাগ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে তেওঁলোকে ভাৰত-স্পেইন মিত্ৰতাৰ বিভিন্ন দিশ বিশেষকৈ প্ৰতিৰক্ষা, নিৰাপত্তা, প্ৰযুক্তি আদি খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰে। তেওঁ কয়, যে ইউৰোপীয় সংঘৰ সৈতে ঐতিহাসিক মুক্ত বাণিজ্য চুক্তিয়ে স্পেইনৰ সৈতে থকা অৰ্থনৈতিক অংশীদাৰিত্বত ইতিবাচক প্ৰভাৱ পেলাব আৰু ইয়াৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰৰ জনসাধাৰণে নতুন সুযোগ লাভ কৰিব। শ্ৰীমোদীয়ে কয়, যে দুয়োখন ৰাষ্ট্ৰই ২০২৬ বৰ্ষটোক ভাৰত-স্পেইন সংস্কৃতি, পৰ্যটন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বৰ্ষ হিচাপে চিহ্নিত কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী আন্‌ট্টি পেট্টেৰী আৰ্প'ৰ সৈতেও আলোচনাত মিলিত হয়। তেওঁলোকে বহনক্ষমতা আৰু ডিজিটেলাইজেচন তথা কৃত্ৰিম বুদ্ধিমত্তা গৱেষণাৰ ক্ষেত্ৰত সহযোগিতা সন্দৰ্ভত আলোচনা কৰাৰ উপৰি কিদৰে ভাৰতীয় প্ৰতিভাই দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰিব পাৰে

সেই বিষয়ত আলোকপাত কৰে। দুয়োগৰাকী নেতাই উন্নত, দায়বদ্ধ তথা প্ৰতিভা আধাৰিত কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰত আৰু ফিনলেণ্ডে বাণিজ্য দুগুণ বৃদ্ধি কৰাৰ জৰিয়তে অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে ছাৰ্বিয়াৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভুচ্চিকৰ সৈতেও আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, কৃত্ৰিম বুদ্ধিমত্তা, ফিনটেক, শিক্ষা, কৃষি, পৰ্যটন আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক আদিৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰে। এষ্ট'নিয়াৰ ৰাষ্ট্ৰপতি আলাৰ কেৰিচৰ সৈতে হোৱা আলোচনাত প্ৰধানমন্ত্ৰীয়ে ভাৰত-এষ্ট'নিয়া সম্পৰ্কৰ বিষয়ে কথা পতাৰ লগতে ডিজিটেল প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বাবে থকা সম্ভাৱনীয়তাত আলোকপাত কৰে। তেওঁলোকে লগতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত গোলকীয় আৰু আঞ্চলিক বিষয়ত মত বিনিময় কৰে।

ইয়াৰ পূৰ্বে আজি পুৱা প্ৰধানমন্ত্ৰী মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে ভাৰতলৈ অহা গুগলৰ মুখ্য কাৰ্যবাহী বিষয়া সুন্দৰ পিচাইক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তেওঁলোকে কৃত্ৰিম বুদ্ধিমত্তাৰ দিশত ভাৰতে কৰি থকা কাম তথা ভাৰতৰ দক্ষতা সম্পন্ন শিক্ষাৰ্থী আৰু পেচাদাৰীসকলৰ সৈতে গুগলে কিদৰে কাম কৰিব সেই বিষয়ত আলোচনা কৰে।

০০০০০

নিৰ্বাচন আয়োগে অসমকে ধৰি ১০ খন ৰাজ্যৰ ৩৭ খন ৰাজ্যসভা আসনৰ বাবে নিৰ্বাচনীসূচী ঘোষণা কৰিছে। ইয়াৰে মহাৰাষ্ট্ৰত ৭ খন, তামিলনাডুত ৬ খন, বিহাৰ আৰু পশ্চিমবংগত ৫ খনকৈ, ওড়িশাত ৪ খন, অসমত ৩ খন, তেলেংগানা, চত্তিশগড়, হাৰিয়ানাত দুখনকৈ আৰু হিমাচল প্ৰদেশত এখনকৈ আসন আছে। এই আসনকেইখনৰ বাবে অহা ২৬ ফেব্ৰুৱাৰীত অধিসূচনা জাৰি কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ৫ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৬ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ৯ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। ১৬ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব। সিদিনাখনেই বিয়লি ৫ বজাত ভোটগণনা কৰা হ'ব। ২০ মাৰ্চৰ ভিতৰত নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। উচ্চ সদনত অহা এপ্ৰিলত কাৰ্যকাল অন্ত পৰিবলগীয়া নেতাসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী ৰামনাথ ঠাকুৰ আৰু ৰামদাস আঠাৱালে, ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ, এন চি পি-এছ পিৰ নেতা শৰদ পাৱাৰ, আৰ এল এমৰ নেতা উপেন্দ্ৰ কুচৱাহা, কংগ্ৰেছৰ নেতা অভিষেক সিংভী, এ আই এ ডি এম কেৰ নেতা এম থাম্বিদুৰাই আৰু ডি এম কেৰ নেতা তিৰুচি শিৱা আছে। উল্লেখযোগ্য যে অসমৰ সাংসদ ভূৱনেশ্বৰ কলিতা, ৰামেশ্বৰ তেলী আৰু অজিত কুমাৰ ভূঞাৰ কাৰ্যকালৰো অহা ৯ এপ্ৰিলত অন্ত পৰিব।

০০০০০

ৰঙালী বিহুৰ কথা বিবেচনা কৰি অসমৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে প্ৰকাশ কৰিছে। বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ পাছত আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয়, যে আয়োগে যথোপযুক্ত সময়ত বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। তেওঁ কয় যে অধিকাংশ ৰাজনৈতিক দলে এটা অথবা সৰ্বাধিক দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনাইছে। ৰাজনৈতিক দলসমূহে লগতে ব'হাগ বিহুৰ পূৰ্বে নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীকুমাৰে কয়, যে ৰাজ্যখনত ৫ লাখ ৭৫ হাজাৰ লোকে এইবেলি প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৰাজ্যখনত ৩১ হাজাৰ ৪৮৬টা

ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব আৰু ৩ হাজাৰ ৭১৬টা কেন্দ্ৰ মহিলাই পৰিচালনা কৰিব। শ্ৰীকুমাৰে কয়, যে এইবাৰৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে ভালেমান নতুন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেই অনুসৰি ভোটদাতাসকলে ভোটগ্ৰহণ কেন্দ্ৰলৈ মোবাইল ফোন লৈ যাব পাৰিব আৰু প্ৰতিটো কেন্দ্ৰত মোবাইল ফোন ৰখাৰ বিশেষ ব্যৱস্থা থাকিব। ই ভি এমত প্ৰাৰ্থীসকলৰ ৰঙীন ফটোৰ লগতে নামসমূহ ডাঙৰকৈ লিখা থাকিব।

ভোটাৰ তালিকাৰ বিশেষ সংশোধন সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে, অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আৰু সেইবাবেই ৰাজ্যখনত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন কৰা হোৱা নাই।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সুযোগতে আজি নতুন দিল্লীৰ ব্ৰাজিলৰ স্বাস্থ্যমন্ত্ৰী আলেকজেণ্ডাৰ পাডিলহাক সাক্ষাৎ কৰে। দুগৰাকী নেতাই সকলোৰে বাবে সুলভ আৰু সুচল স্বাস্থ্য সেৱা বিষয়ত ফলপ্ৰসূ আলোচনাত মিলিত হয়। তেওঁলোকে লগতে দুয়োখন দেশৰ স্বাস্থ্য আৰু ভেষজ খণ্ডত সহযোগিতা সুদৃঢ় কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। শ্ৰীনাড্ডাই ব্ৰাজিলৰ সৈতে সহযোগিতাৰ বাবে ভাৰত আগ্ৰহী বুলি প্ৰকাশ কৰে। তেওঁ লগতে শ্ৰীপাডিলহাক সমাগত ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ স্বাস্থ্য মন্ত্ৰীসকলৰ বৈঠকলৈ স্বাগতম জনায়।

ooooo

ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন-২০২৬ নতুন দিল্লীত অনুষ্ঠিত কৰাৰ বাবে এন বি আই গ্লোবেল ছাৰ্ভিছৰ সঞ্চালক মেহফুজ আহমেদ ছিদ্দিকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱক ধন্যবাদ জ্ঞাপন কৰিছে। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনৰ সৈতে জড়িত হ'বলৈ বিচৰা এ আই ষ্টাৰ্টআপ, বহুজাতিক কোম্পানী আৰু প্ৰতিজন ব্যক্তিক কৃত্ৰিম বুদ্ধিমত্তাৰ ঔদ্যোগিক বিকাশৰ দিশত আগবাঢ়ি যোৱাত এই সন্মিলনখনে যথেষ্ট সহায় কৰিব।

ৰাধৰানী ফাউণ্ডেচনৰ কৌশলগত অংশীদাৰিত্ব বিভাগৰ মুৰববী শ্ৰীহৰ্ষাই ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন-২০২৬ত প্ৰতিষ্ঠানটোৱে উদ্যমিতা, কৌশল বিকাশ, চৰকাৰৰ সৈতে জড়িত বিভিন্ন পদক্ষেপ, উদ্ভাৱন আৰু গৱেষণাৰ দিশত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা বতৰাত এই সন্মিলনখনৰ জৰিয়তে বিভিন্ন নতুন অভিজ্ঞতা লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে।

ভ'কেল লেব্‌ছৰ সহ-প্ৰতিষ্ঠাপক মৃত্যুঞ্জয় দাসে এই সন্মিলনত বহুতো প্ৰতিষ্ঠানৰ অংশীদাৰসকলৰ সৈতে কৃত্ৰিম বুদ্ধিমত্তাৰ বিকাশৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰিবলৈ সুযোগ লাভ কৰাৰ কথা উল্লেখ কৰে।

ooooo

চীনৰ হুবেই প্ৰভীন্সৰ এখন ফটকাৰ দোকানত সংঘটিত বিস্ফোৰণৰ ফলত আজি ১২ জন লোকৰ মৃত্যু হয়। দেশখনত চন্দ্ৰ নৱবৰ্ষ উদযাপনৰ সময়তে দ্বিতীয়বাৰৰ বাবে এনে বিস্ফোৰণৰ ঘটনা সংঘটিত হয়। তাৎক্ষণিক সঁহাৰি বাহিনীয়ে ঘটনাস্থলীত উপস্থিত হৈ মধ্য হুবেই প্ৰভীন্সৰ জিয়ানগিয়াং চহৰত থকা

ফটকাৰ দোকানখনত লগা জুই নিৰ্বাপন কৰে। উল্লেখযোগ্য যে যোৱা দেওবাৰে পূব জিয়াংছু' প্ৰভীন্সৰ এখন ফটকাৰ দোকানত সংঘটিত অনুৰূপ বিস্ফোৰণৰ ঘটনাত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে দুজন গুৰুতৰভাৱে আহত হৈছিল।

ooooo

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ভাৰত নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। আমালৈ বাতৰি অহাৰ পৰলৈ ভাৰতে ৩ অভাৰত এটা উইকেট হেৰুৱাই   ২৩ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে কলম্বোত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানে নামিবিয়াক ১০২ ৰানত পৰাস্ত কৰে। পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৩ উইকেটৰ বিনিময়ত ১৯৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নামিবিয়াই ১৭ অভাৰ ৩ বলতে আটাইকেইটা উইকেট হেৰুৱাই ৯৭ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতা আজি নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই ইউ এ ই-ক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

সমাপ্ত